**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিগত ১০ বছৰত এন ডি এ চৰকাৰে দেশৰ মূল সমস্যাসমূহৰ স্থায়ী সমাধানৰ হকে চেষ্টা কৰিছে।

৩। কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাড্ৰাই বিজেপি চৰকাৰে বিগত ১০ বছৰত দুখীয়া আৰু জনজাতীয় লোকৰ সৈতে অন্যায় কৰা বুলি অভিযোগ তোলে।

৪। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু ৰাজ্যিক বাহিনীয়ে মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নৰনচিনা গাঁৱৰ পাহাৰীয়া অঞ্চলত অভিযান চলাই অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক আৰু দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ নেতৃবৰ্গই ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোড শ্ব’ত ভাগ লোৱা পৰিলক্ষিত হৈছে। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৫ খন আসনৰ বাবে ৭ মে’ত ভোটগ্ৰহণ কৰা হ’ব। এই পৰ্যায়ত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি মহাৰাষ্ট্ৰৰ কোলহাপুৰৰ তপোৱন ময়দানত কালি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি কয় যে, বিগত ১০ বছৰত এন ডি এ চৰকাৰে দেশৰ মূল সমস্যাসমূহৰ স্থায়ী সমাধানৰ হকে চেষ্টা কৰিছে। তেওঁ কয় যে, বিজেপি চৰকাৰে সদায় মহিলা আৰু যুৱ প্ৰজন্মক অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

যুৱ প্ৰজন্মৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি সন্দৰ্ভত শ্ৰীমোদীয়ে আত্মনিৰ্ভৰ ভাৰত আৰু ষ্টাৰ্টআপ ইণ্ডিয়া উদ্যমৰ ওপৰত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে মুদ্ৰা যোজনাৰ অধীনত প্ৰদান কৰা ধনৰ ৰাশি দুগুণলৈ বৃদ্ধি কৰি ২০ লাখ টকা কৰা হ’ব। কংগ্ৰেছ আৰু আই এন

ডি আই মিত্ৰজোঁটক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁলোকে ৰাষ্ট্ৰ বিৰোধিতা আৰু ঘৃণাৰ ৰাজনীতিৰে প্ৰতিপক্ষৰ বাবে জয় সহজ কৰি তুলিছে। তেওঁ লগতে কয় যে, অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলাসকলৰ কল্যাণৰ প্ৰতি উৎসৰ্গিত এই চৰকাৰ পুনৰ ক্ষমতালৈ অহাটো নিশ্চিত হৈ পৰিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেও সভাত উপস্থিত থাকে।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে গোৱাক এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ অনন্য উদাহৰণ বুলি অভিহিত কৰিছে। গোৱাৰ ভাস্কোত কালি বিয়লি নিৰ্বাচনী সভাত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, অনাগত সময়ত চৰকাৰে ৩ কোটি পকী গৃহ নিৰ্মাণ কৰিব আৰু সকলো বাসগৃহলৈ পাইপযোগে গেছ যোগানৰ ব্যৱস্থা কৰিব। কংগ্ৰেছে মাছমৰীয়া সকলক অৱহেলা কৰা বুলিও অভিযোগ তুলি শ্ৰীমোদীয়ে কয় যে, এন ডি এ চৰকাৰে মাছমৰীয়া সকলৰ বাবে সুকীয়া মন্ত্ৰালয় গঠন কৰিছে। গোৱাৰ দুখন লোকসভা আসনৰ বাবে ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এইবেলি বিজেপিয়ে উত্তৰ গোৱা সমষ্টিত বৰ্তমানৰ সাংসদ শ্ৰীপদ নায়কক আৰু দক্ষিণ গোৱাত পল্লৱী ডেম্প'ক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছে প্ৰাক্তন কেন্দ্ৰীয়মন্ত্ৰী ৰমাকান্ত খালাপ আৰু ভিৰিয়াটো ফাৰ্ণ্ডানডেজক উত্তৰ আৰু দক্ষিণ গোৱা সংসদীয় সমষ্টিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি গুজৰাটৰ পোৰবন্দৰ, ভাৰুছ আৰু পঞ্চমহলত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

পঞ্চমহলত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীশ্বাহে কয় যে, বিজেপি চৰকাৰে পুনৰ ক্ষমতালৈ অহাৰ পাছত উমৈহতীয়া দেৱানী বিধি ৰূপায়ণ কৰিব। তেওঁ কয় যে, বিজেপি চৰকাৰে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশক সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰিছে। বিজেপি চৰকাৰ দুখীয়া আৰু উপান্ত শ্ৰেণীৰ লোককে ধৰি সমাজৰ সকলো বৰ্গৰ উন্নয়নৰ প্ৰতি বদ্ধপৰিকৰ।

ভাৰুছৰ নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীশ্বাহে কয় যে, বিজেপি চৰকাৰে অকল দেশৰ জনজাতীয় লোকসকলৰ বাবে বাজেটত আৱণ্টন দিয়া ধনৰ পৰিমাণ বৃদ্ধি কৰাই নহয় বৰং তেওঁলোকৰ বাবে শিক্ষা আৰু স্বাস্থ্য সুবিধাও বৃদ্ধি কৰিছে। তেওঁ লগতে বিজেপি চৰকাৰে জনজাতীয় লোকৰ মৌলিক অধিকাৰ কাঢ়ি নলয় বুলি জনসাধাৰণক আশ্বাস দিয়ে।

ইপিনে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাড্ৰাই কালি গুজৰাটৰ ৱালচাদ জিলাৰ ধৰমপুৰত এটা সমাবেশত ভাগ লয়। শ্ৰীমতী ভাড্ৰাই বিজেপি চৰকাৰে বিগত ১০ বছৰত দুখীয়া আৰু জনজাতীয় লোকৰ সৈতে অন্যায় কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে, কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহিলে ই জনজাতীয় লোকৰ বাবে বিশেষ বাজেট আৱণ্টন কৰিব আৰু দুখীয়া, কৃষক তথা নিপীড়িতসকলৰ কল্যাণৰ হকে কাম কৰিব।

ooooo

কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেনুগোপালে কৈছে যে দলে দুদিনৰ ভিতৰত উত্তৰ প্ৰদেশৰ বাকী আসনসহ লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ পৰৱৰ্তী তালিকা প্ৰকাশ কৰিব। উত্তৰ প্ৰদেশত গুৰুত্বপূৰ্ণ ৰায়বৰেলি আৰু

আমেথিৰ প্ৰাৰ্থী সম্পৰ্কে আলোচনা কৰাৰ বাবে কালি কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। সূত্ৰৰ পৰা জানিব পৰা মতে গান্ধী পৰিয়ালে আমেথি আৰু ৰায়বৰেলি আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব লাগে বুলি উত্তৰ প্ৰদেশ কংগ্ৰেছে দলৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ ওচৰত প্ৰস্তাৱ দিছে আৰু এই প্ৰস্তাৱৰ সন্দৰ্ভত সভাপতি মল্লিকাৰ্জুন খাৰ্গেক সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ২০১৯ চনৰ নিৰ্বাচনলৈকে কংগ্ৰেছৰ দুৰ্গ বুলি বিবেচিত উত্তৰ প্ৰদেশৰ ৰায়বৰেলি আৰু আমেথিৰ আসনৰ বাবে কংগ্ৰেছে এতিয়ালৈকে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। ৰাহুল গান্ধীয়ে ২০১৯ চনৰ নিৰ্বাচনত আমেথিত বিজেপিৰ স্মৃতি ইৰাণীৰ হাতত পৰাজিত হৈছিল। ৰাহুল গান্ধীয়ে এইবেলিত কেৰালাৰ ৱায়নাড সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ ২০১৯ চনৰ নিৰ্বাচনত এই আসনৰখনৰ পৰা জয় হৈছিল। কংগ্ৰেছে এতিয়ালৈকে ৭টা পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৩০৮ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

00000

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা গাডাগ হাৱেৰী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বছৱৰাজ বোম্মাইয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰিছে। তেওঁ কৈছে যে, প্ৰধানমন্ত্ৰী মাৰাঠা শাসক ছত্ৰপতি শিৱাজী মহাৰাজৰ নীতি আদৰ্শৰ হকে যুঁজ দি আহিছে। হাৱেৰীত মাৰাঠা সম্প্ৰদায়ৰ বৈঠকত অংশগ্ৰহণ কৰি কালি বিজেপিৰ নেতাগৰাকীয়ে কয় যে, মাৰাঠা সমাজৰ সৈতে তেওঁৰ মধুৰ সম্পৰ্ক আছে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ছত্ৰপতি শিৱাজী মহাৰাজৰ অনুগামী বুলি অভিহিত কৰি কয় যে, শিৱাজীয়ে যিধৰণৰ সংঘৰ্ষত ব্ৰতি হৈছিল শ্ৰীমোদীয়েও একেধৰণৰ যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ কয় যে, মাৰাঠা সম্প্ৰদায় দেশভক্ত আৰু তেওঁলোকে দেশৰ বিকাশৰ বাবে মোদীৰ হাত শক্তিশালী কৰাৰ উচিত।

00000

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নৰনচিনা গাঁৱৰ পাহাৰীয়া অঞ্চলত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু ৰাজ্যিক বাহিনীয়ে অভিযান চলাই অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰে। নৰনচিনা গাঁৱত থকা চি আৰ পি এফৰ চকীত পৰহি নিশা হোৱা আক্ৰমণৰ ঘটনাত এজন উপ-পৰিদৰ্শক আৰু কনিষ্টবলৰ মৃত্যু হোৱাৰ পাছত কালি এই অভিযান চলোৱা হয়। এই অভিযানত ৪টা ৰাইফল, দুটা চীনত নিৰ্মিত হেণ্ড গ্ৰেনেড, ১৪৫ জাঁই গুলী-বাৰুদকে ধৰি বিভিন্ন আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়। এই অভিযানত অপৰাধী চক্ৰৰ তিনিটা বাংকাৰো ধ্বংস কৰা হয়। ইপিনে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে সুৰক্ষা বাহিনীৰ ওপৰত হোৱা এই আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদানৰ আশ্বাস দিয়ে। ৰাজ্যখনৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙেও এই ঘটনাক গৰিহণা দিছে।

00000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ প্ৰস্তাৱিত অসম ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন নিষিদ্ধ, আটচবাজী আৰু উৰণ নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা দণ্ডাধীশ সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

ooooo

রাজস্থান ৰয়েলছে যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে। ৰাজস্থানৰ হৈ অধিনায়ক সঞ্জু ছেমচনে ৭১ ৰান কৰি আউট নোহোৱাকৈ থাকে। ধ্রুৱ জুড়েলে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৯৬ ৰান কৰে। লক্ষ্ণৌৰ হৈ অধিনায়ক কে এল ৰাহুলে সৰ্বাধিক ৭৬ ৰান কৰাৰ বিপৰীতে দীপক হুডাই ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমচনক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ আগেয়ে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্রতিযোগিতাৰ আন এখন খেলত দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ১০ ৰানত পৰাস্ত কৰে। খেলখনত দেলহী কেপিটেলছে প্রথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰে। প্ৰত্যুত্তৰ মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্রতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্রথমখন খেলত গুজৰাট টাইটানছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েল মুখামুখি হ'ব।

ooooo

সমাপ্ত